## ৩.৪ বিহুৰ স্বকীয়তা ৰক্ষাত ফাটবিহুৰ ভূমিকা

সময়ৰ পৰিৱৰ্তনৰ লগে লগে পৃথিৱীৰ সকলো বস্তুৰে পৰিৱৰ্তন হৈছে। ই অতি স্বাভাৱিক। তথাপি, এই পৰিৱৰ্তনে অসমীয়াৰ বাপতি-সাহোন বিহুৰ স্বকীয়তা নষ্ট কৰাটো কোনো অসমীয়াই সহ্য কৰিব নোৱাৰে। বিশ্বায়ন আৰু মুক্ত অৰ্থনীতিৰপৰা যেন আজিৰ বিহু মুক্ত হ'ব পৰা নাই। অসমীয়া কৃষিজীৱী জনগণৰ জাতীয় উৎসৱ বিহুৰ লগত জড়িতো হৈ আছে জাতিটোৰ প্ৰচলিত ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, কৃষ্টি-সংস্কৃতি, ধৰ্ম-বিশ্বাস, আহাৰ, সাজ-পাৰ, জীৱন-দৰ্শন আদি সকলো বৈশিষ্ট্য।

ঢকুৱাখনাৰ ফাটবিহুৱে সাম্প্ৰতিক সময়ত বিহুৰ যি দুৰৱস্থা, এই দুৰৱস্থা দূৰীকৰণত বিশেষভাৱে দৃঢ় পদক্ষেপ লোৱা দেখা যায়। ফাটবিহু অসমীয়া লোক-সংস্কৃতিৰ এক অমূল্য সম্পদ। চাৰিকড়ীয়া নৈক কেন্দ্ৰ কৰি গঢ় লৈ উঠা ফাটবিহু ব'হাগৰ উৎসৱ। ফাটবিহুৱে প্ৰমাণ কৰিব পাৰে সংস্কৃতি যে জাতি একোটাৰ চিন্তা, কল্পনা আৰু সকলো কৰ্মৰ শ্ৰেষ্ঠ সমাহাৰ।

## ৪.১ ফাটবিহুৰ ভূমিকা

সংস্কৃতি বোৱতী নৈৰ দৰেই গতিশীল। পৰিৱৰ্তনৰ নামত জধে-মধে নতুনত্বক গ্ৰহণ কৰাটো অনুচিত। ঢকুৱাখনাৰ ফাটবিহুৱে পাৰম্পৰিক আঞ্চলিক বৈশিষ্ট্য আজি পৰ্যন্ত ধৰি ৰাখিব পাৰিছে। সেইবাবেই ফাটবিহুৱে নৱ-প্ৰজন্মক সপোন দেখুৱাবও পাৰিছে। ঢকুৱাখনীয়াৰ সাংস্কৃতিক জীৱনৰ সঞ্জীৱনীসুধা ফাটবিহু অসমৰ সাংস্কৃতিক জাতীয় জীৱনৰো অন্যতম প্ৰেৰণা।

(১) বৰ্তমান অসমত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ মানুহৰ জাতিগত, ভাষাগত, কৃষ্টিগত আদি আৱেগ-অনুভূতিৰপৰা সৃষ্টি হোৱা সন্দেহ, সংশয়, সংকটৰ ফলত সংঘটিত ভাতৃঘাতী ঘটনা, গোষ্ঠীগত সংঘৰ্ষ চাৰিকড়ীয়া নৈৰ পাৰত কেতিয়াও সংঘটিত হোৱা নাই।

(২) মঞ্চত জাতীয় সাজ-পাৰ অবিহনে কোনো ব্যক্তিৰে প্ৰৱেশ নিষিদ্ধ কাৰ্য ফাটবিহুৰ জাতীয় দায়বদ্ধতাৰ নিৰ্দশন।

(৩) বহুৰাষ্ট্ৰীয় কোম্পানীৰ স্প'নছ'ৰশ্বিপৰপৰা ফাটবিহু এইপৰ্যন্ত মুক্ত। ৰাইজৰ বিহু ৰাইজৰ দান-বৰঙণিৰেই সাধাৰণতে আয়োজন কৰা হয়।

(৪) ফাটবিহুৱে 'অৰ্থ'তকৈ সদায়ে 'সন্মান' প্ৰদানত গুৰুত্ব আৰোপ কৰে।

(৫) ফাটবিহু কেৱল ৰাইজৰ অনুষ্ঠান। এই বিহু সকলো সংকীৰ্ণতাৰ উৰ্দ্ধত।